# তো
# মা
# লৈ



উপেন হাজৰিকা

# তোমালৈ

গীতি-কৱিতা সংকলন

—উপেন হাজৰিকা

ধৰিত্ৰী মৰমৰ,

তোমাৰ মন্দিৰৰ মাজ-মজিয়াত যুগে যুগে অভিশপ্তা উৰ্ম্মিলা, তেজিমলা, মেৰীলিন মনৰোৰ হাতত মোৰ "তোমালৈ" তুলি দিলোঁ। তেওঁলোকমাত্ৰ নিশা সৰি পৰা শেৱালী ফুল।

—উপেন হাজৰিকা—

॥ প্ৰকাশক ॥

**শ্ৰীউপেন হাজৰিকা,**

ভেটেৰেন্যাৰী হস্পিটালৰোড

নগাওঁ : অসম ।

॥ প্ৰথম প্ৰকাশ ॥

**জুলাই, ১৯৬৩**

॥ ছপাশাল ॥

**গোপালদেৱ প্ৰিণ্টিং ওৱৰ্কচ**

এন., আহমদ ৰোড., নগাওঁ : অসম

॥ মূল্য ॥

০·৫০ ন.প. ( পঞ্চাচ নয়া পইচা )

মাজে মাজে দুই এটা গল্প-কবিতা লিখোঁ। সেইবোৰ যে কেতিয়াবা প্ৰকাশ পাব— এই আশা মনত কাহানিও পোহা নাই। তথাপিতো প্ৰথমবাৰৰ বাবে কেইটিমান কলিজাৰ পৰা ওলোৱা গান প্ৰকাশ কৰিবলৈ মন মেলিলোঁ।

মোৰ এই প্ৰচেষ্টাত প্ৰেৰণাযোগাই অহা গুৱাহাটীৰ শ্ৰীদীপ্তি কুমাৰ বৰুৱা, নগাওঁৰ শ্ৰীশচীন্দ্ৰ নাথ বৈদ্য আৰু শ্ৰীদেৱৰাজ আকবৰক এইখিনিতে শলাগ লবৰ সুবিধা পোৱাত আনন্দ পাইছোঁ।

আকৌ, ইয়াৰে কেইটিমান গানৰ সুৰ দিওঁতা শ্ৰীআফলাত্ উদ্দিন আহমদৰ নামো উল্লেখ-যোগ্য। ইতি—

জুলাই }
১৯৬৩ }

লিখক—

## —তোমালৈ—

শ্ৰীমান উপেন হাজৰিকাই ৰচনা কৰা গান কেইটি চাবলৈ দি মন্তব্য বিচাৰিছে; কিন্তু মই নিজে সংগীতজ্ঞ বা গায়ক নহওঁ। গতিকে গানৰ ওপৰত মন্তব্য কৰা কঠিন। অৱশ্যে শ্ৰীমানৰ গান কেইটিত সুৰ সংযোজনা হ'লে যে সুশ্ৰাব্য হৈ উঠিব ই নিশ্চিত। সুৰ আৰু কথাৰ সম্মিলনে সুমধুৰ সংগীতৰ সৃষ্টি কৰিব।

এই গীতি-কবিতা কেইটিত ধাইকৈ ডেকা মনৰ ভাৱ পৰিস্ফুত হৈ উঠিছে। তেওঁ যেন কাৰোবাৰ পৰা পোৱা প্ৰেৰণাৰ দ্বাৰা উদ্বুদ্ধ —কিন্তু তাৰ মাজত যেন এটি উগুল থুগুল ভাৱ ফুটি উঠিছে—

ৰিক্ত জীৱনৰ কোনেও সুবুজা ভাষা,
কেতিয়াবা হব জানো সুপ্ত ?
সপোন হেৰাই গলে দিঠকে সাৰটিব
হেজাৰ ভাষা হব সুপ্ত……
ৰিক্ত-জীৱন মোৰ
হব জানো কেতিয়াবা [redacted] ?
মাজে মাজে আকৌ কিবা নোপোৱাৰ হেতু বেদনাৰ
সুৰ একোটিও ভাঁহি উঠিছে—
মোৰ বেদনাৰে ভৰা
এই হিয়াৰ পৰা
নিলা দুৰলৈ উটুৱাই
মৰম যে উটুৱাই ।

আকৌ—,

এই মৰতত কিয় থাক
শান্তি নেপায় মনে মোৰ
বাৰে বাৰে মন যায় দূৰ-দূৰলৈ।

সৰহখিনি গীতেই এই সুৰৰ যদিও দেশমাতৃৰ প্ৰতি থকা ভালপোৱা আৰু মৰমো ফুটি ওলাইছে। ভাৰতভূমি চীনে আক্ৰমণ কৰাৰ পটভূমিত তেওঁ গাইছে—

সুদূৰ সীমান্তৰ বৰফ গলা পানীত উঠে
আকাশ লংঘা ঢউ

শান্তিৰ কপৌ উৰায় ভাৰতী
জননী ভাৰত জয়
আমি সবে গাম
জননী ভাৰত জয়।

মাজে মাজে ভাৱ-ভাষাৰ বিচ্যুতি ঘটিলেও কোমল বয়সৰ শ্ৰীমান উপেন হাজৰিকাৰ উজ্জ্বল ভৱিষ্যত আশা কৰিব পাৰি। তেওঁৰ এই গীতি-কবিতা [illegible] সুৰ-সংযোজনা হলে সুমধুৰ হব! ইতি—

নগাওঁ (অসম)
৩/৭/৬৩ } অধ্যাপক- শ্ৰীঅমূল্য চন্দ্ৰ [illegible]থ।

# — সূচী —


১। তোমাৰ বুকুৰ উন্মনা লৈ—

২। সেউজী পৃথিৱীৰ জীৱনৰে পদূলীত—

৩। পহিলা পক্ষতে, তোমালে ৰচিলোঁ—

৪। এই জীৱনে যদি দেখা হয় দুজনাৰ—

৫। ৰিক্ত জীৱনৰ কোনেও নুবুজা ভাষা—

৬। মোৰ বেদনাৰে ভৰা—

৭। তোমাৰ দুচকুৰ অশ্ৰুৰে—

৮। মটিৰ চাকিৰ শলিতা জ্বলাই—

৯। সুদূৰ সীমান্তৰ বৰফগলা পানীত উঠে—

১০। সাৱধান ! সাৱধান !! সাৱধান !!!

# —এক—

তোমাৰ বুকুৰ উন্মনা লৈ
ৰচিম কবিতা হেজাৰ— তোমালৈ
নেলাগে হবযে আজি বাসনা পূৰ্ণ,
নেলাগে হবযে আজি কামনা পূৰ্ণ।
আজীৱন ৰচি যাম, আজীৱন গাই যাম
তোমাৰে কবিতা মই।

কোনো এক অনামী স্বপ্ন-নিশাত,
পৰি ৰোৱা শিলনিত— হেজাৰ সপোন দেখি
নহওঁ আজি যে মই ছন্দহাৰা।
লিখিয়ে যাম। লিখি যাম সোণ মোৰ, লিখি যাম
তোমাৰে কবিতা মই

মৌন নিশাৰ তৰাৰ দীপালীত
ভাঁহিব সপোন আমাৰ হেজাৰ যুগৰ।
তুমিতো জানা—
কবিতাত উম আছে স্বপ্ন-নিশাৰ
সেয়েতো লিখি যাম তোমালৈ মই কবিতা
উন্মনা লৈ তোমাৰ বুকুৰ;

## —দুই—

গেউজী পৃথিৱীৰ জীৱনৰে পদূলিত
আশা মোৰ অসীম দিগন্ত
সপোন জীৱন মোৰ, এৰি অহা মৰমত
আজি ভাৰা ক্রান্ত।
আশা মোৰ অসীম দিগন্ত।
শত বাধা নেওচি, সোনেৰে পৃথিৱী গঢ়ো ;
তুমি মাথো এটি আশা দিয়া,
মৰমে সাৱতি ধৰক হিয়া
মোৰ ভাৰাক্রান্ত।
চোৱা সউ কঁপি উঠা অসীম দিগন্ত
গোপন নিশাত আজি ক্লান্ত ;
তথাপিতো আশা জানো ভ্রান্ত ?
তুমিতো জানা মই ভাৰাক্রান্ত
আশা মোৰ অসীম দিগন্ত

## —তিনি—

পহিলা পক্ষতে, তোমালে ৰচিলোঁ।
ৰুদ্ধ গতিয়ে, ৰোধিব নোৱাৰিলে
অজানিতে কৰবাত ভুল হৈ গ'ল,
উদাস আকৃতি মোৰ মৌন হ'ল।

পলাশৰে অংকুৰ, মনৰে মজিয়াত
এয়া যে কৰবাত ভুল হৈ গ'ল।
ক্লেদাক্ত জীৱনে ৰোধিব নোৱাৰিলে
উদাস আকৃতি মোৰ মৌন হৈয়ে ৰ'ল,
অজানিতে কৰবাত ভুল হৈ গ'ল।

অষ্ট দিশৰ নীলা দুচকুত মোৰ
অশ্রু গীত হৈ ৰ'ল—
অজ্ঞাতে কৰবাত ভুল হৈ গ'ল,
উদাস আকৃতি মোৰ আজি মৌন হ'ল

তোমাৰ নীলা দুচকুয়ে, সপোন নমালে
মোৰ অশ্রু ভৰা দুচকুলে।
তোমাৰ এটি সুৰে, ঝংকাৰ তুলিলে
আকাশী গংগাতে মোৰ।
এয়া যে কৰবাত ভুল হৈ গ'ল
উদাস আকৃতি মোৰ মৌন হৈয়ে ৰ'ল

## —চাৰি—

এই জীৱনে যদি দেখা হয় দুজনাৰ,
আমি আঁকা সপোন জগাৰ,
নিতে দেখা হব দুজনাৰ।
এ আকাশ পৃথ্বী যদি, সত্য হয় দুজনাৰ,
শেষ হৈ যাব মৃত্যু অন্ধকাৰ।
তথাপিতো তুমি ভুল নজগাবা,
নিতে দেখা হব দুজনাৰ।

এই পৃথিৱীতে যদি ভুল কৰা হয়
স্বপ্নিল পৃথ্বীয়ে পাহৰি আমাক
কৰিব যে ভুল এবাৰ,
তথাপিতো দেখা হব দুজনাৰ।

এ পৃথিৱীত যদিও দেখা নহয় দুজনাৰ,
ভুলতো নহয় তোমাৰ আমাৰ।
তথাপিতো তুমি ভুল নজগাবা— সোণ,
এবাৰ দেখা হব দুজনাৰ।

## —পাঁচ—

বিক্ত জীৱনৰ
কোনেও নুবুজা ভাষা, হব জানো কেতিয়াবা সুপ্ত ?
সপোন হেৰাই গলে দিঠকে সাৱতিব
হেজাৰ ভাষা হব লুপ্ত
বিক্ত জীৱন মোৰ
হব জানো কেতিয়াবা সুপ্ত ?

আপেক্ষিবা তুমি জানো মোৰ দিঠকত
মোৰ যে জীৱন হ'ল বিক্ত
ভাষা আজিও অব্যক্ত।
কোনেও নুবুজা ভাষা, হব জানো কেতিয়াবা সুপ্ত ?

বিক্ত পথ মই, আজি অবিশ্রান্ত
তুমি আছা দিঠকত
'ফচিলো' হ'ল আজি লুপ্ত।
ভাষা মোৰ হব জানো সুপ্ত ?

---

## —ছন্দ—

মোৰ বেদনাৰে ভৰা
এই হিয়াৰ পৰা,
নিলা দূৰলৈ উটুৱাই ;
মৰম যে উটুৱাই।
কোন সৰগৰ সউ
দিগন্ত বলয়ৰ— ৰঙচুৱা ৰামধেনু হৈ
নিলা দূৰলৈ উটুৱাই ।
মৰম যে যে উটুৱাই ।

কোন সৰগৰ তুমি অপেশ্বৰী
যাক দিলোঁ মোৰ হিয়া, বেদনাৰে ভৰা
হায় বেদনাৰে ভৰা ।

এই মৰতত কিয় বাৰু
শান্তি নেপায় মনে মোৰ
বাৰে বাৰে গুছি যায় দূৰ দূৰলৈ ।
ঘৃণা আৰু মৰীচিকাৰে ভৰা ।

# —সাত—

তোমাৰ দুচকুৰ অশ্রুৰে
প্রস্তুতি মোৰ। মৃত্যু ছন্দৰে
আমাৰ জীৱন ৰঙৰঙা হ'ল।
যুগ যুগ কৰি অহা
অলপ বাসনাৰ
মৃত্যু কাহানিবাই হ'ল।
এয়া যে জীৱন আমাৰ ৰঙৰঙা হ'ল
প্রস্তুতি মোৰ। মৃত্যুৰ ছন্দক
সাৱতি সাৱতি
কত গীত ৰচা হ'ল।
এয়া যে জীৱন আমাৰ ৰঙৰঙা হ'ল
অলস বাসনাৰ
নৱ-মৃত্যুত, আমাৰ
এই পৃথিৱী ৰাঙলী হল
এয়া যে জীৱন আমাৰ ৰঙৰঙা হল

## —আঠ—

মাটিৰ চাকিৰ শলিতা জ্বলাই
কোনে সেৱা কৰে তুলসী তলত
দুচকুৰে লোতক বোৱাই।
লীন হয় আশা, দিগন্তৰ সিপাৰে
এন্ধাৰে ঢাকিছে জিলমিল আকাশক
মৰমে মাতিছে।

নাই নাই সীমা, হাঁহিলে আকাশে
মাজনিশা তৰাই, উচুপি কান্দিলে
মৌন হল দেৱদাসী, দীপালীৰে বাতি।
মাটিৰে চাকি
কোনে সেৱা কৰে তুলসী তলত,
দুচকুৰে লোতক বোৱাই
মাটিৰ চাকিৰ শলিতা জ্বলাই

—ন—

সুদূৰ সীমান্তৰ বৰফ গলা পানীত উঠে
আকাশ লংঘা ঢউ
অ' তেজ ৰঙা সউ ।
টুকুৰা টুকুৰ বগা বৰফত
চেকুৰা চেকুৰ কৰাল মাৰে সৌ
অ' তেজ ৰঙা ঢউ ।

শান্তিৰ কপৌ উৰায় ভাৰতী ।
জননী ভাৰত জয় ;
মৃত্যু নাশিনী ক্লান্ত ভাৰতী
মুটুকিবা আজি চকুৰ পানী
মৃত্যুবান আহিলে উজায়,
সাৱতিব ৰণমন্ত্ৰ । তেজ ৰঙা সউ
আকাশ লংঘা ঢউ

ৰণক্লান্ত বীৰে পাতিব আৰতি
শ্ৰান্ত বীৰেই বোধিব শকতি
বগা বগা বৰফত উৰাব আজি ত্ৰিৰঙ্গ নিচান ।
উচ্ছ্বসিত এক কণ্ঠে
আমি সবে গাম

মুখৰিত হব আকাশ পাতাল
অষ্ট দিশত উৰিব পুনৰ
আমাৰ ক্লান্ত শান্তিৰ কপৌ।
আকাশ লংঘা ঢউ।

## —দহ—


সাৱধান! সাৱধান!! সাৱধান!!!
আজি আমি ৰাখিব লাগিব জন্মভূমিৰ মান।
ৰক্তপিপাসু দানৱৰ চোঁৱা সৌ জ্বলে অগ্নিবাণ—
আমি সৰ্ব্ব শক্তিমান।

অ' মোৰ মোৰ দেশৰে ডেকা-গাভৰু,
আগবাঢ়ি আহ জাতিভেদ পাহৰোঁ।
আমিতো নহওঁ হিন্দু-মুছলমান, নহওঁ খ্ৰীষ্টিয়ান;
আমি অসমৰ, আমি ভাৰতৰ, নতুন যুগৰ নৱ-জোৱান
আগবাঢ়ি আহ ৰক্ষা কৰোঁ গৌৰৱ নিচান
আমি সৰ্ব্ব শক্তিমান।

টোপাটোপে সৌ কেঁচা তেজ পৰে।
মোৰ দেশৰে প্ৰহৰীৰে বুকুত বিন্ধে
ৰক্ত পিপাসু দানৱৰ অগ্নিবাণে।

আছে দধীচিৰ অস্ত্ৰ হাতত,
শংকা আমাৰ কিহৰ মনত।
বৰ্ব্বৰ দানৱক কৰিম নিধন।
আমি সৰ্ব্ব শক্তি-মান।

অ' অসমীয়া, ওলাই আহ হেঙদাং তুলি,
অ' ভাৰতীয়, ওলাই আহ কাছুটি বান্ধি;
হীন-বীৰ্য্য তই নহব় কদাপি।
দিব পাৰ যদি আত্ম-বলিদান,
তোৰ সম নহব যে আন।
উৰা, উৰা আজি সীমান্তত গৌৰৱ নিচান
আমি সৰ্ব্ব-শক্তিমান।



লিখকৰ অ-প্ৰকাশিত কবিতা সংকলন।

# এচাম নতুন কবিতা



## ঃ প্রাপ্তি স্থান ঃ

১। শেৱালী প্ৰকাশ ভৱন, নগাওঁ ( অসম )
২। গ্ৰন্থ বিপনি, নগাওঁ ( অসম )
৩। মদাৰ্ণ ষ্টোৰ্চ, নগাওঁ ( অসম )
৪। শিশিৰ নিউজ এজেন্সী, নগাওঁ ( অসম )